# লক্ষ্মীনাথ

## TEXTUAL QUESTIONS AND ANSWERS

---

## ক্ৰিয়া-কলাপ

**প্ৰশ্ন ১: অতি চমু উত্তৰ দিয়া –**

( ক ) আমাৰ দেশৰ ভাষা সাহিত্যৰ ভঁৰাল কোনে ভৰালে বুলি কৈছে ?

**উত্তৰঃ** আমাৰ দেশৰ ভাষা সাহিত্যৰ ভঁৰাল লক্ষ্মীনাথে ভৰালে বুলি কৈছে ।

( খ ) ' বুঢ়ী আইৰ সাধু ' পুথিৰ ৰচয়িতা কোন ?

**উত্তৰঃ** ' বুঢ়ী আইৰ সাধু ' পুথিৰ ৰচয়িতা হ'ল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ।

( গ ) অতুল চন্দ্ৰ হাজৰিকাৰ বিখ্যাত গ্ৰন্থখনৰ নাম কি ?

**উত্তৰঃ** অতুল চন্দ্ৰ হাজৰিকাৰ বিখ্যাত গ্ৰন্থখনৰ নাম হ'ল " মঞ্চলেখা " ।

( ঘ ) ' কৃপাবৰ বৰুৱা ' কাৰ ছদ্মনাম ?

**উত্তৰঃ** ' কৃপাবৰ বৰুৱা ' লক্ষ্মীনাথ বেজবৰুৱাৰ ছদ্মনাথ ।

( ঙ ) গদাপাণিয়ে পাহাৰত লগ পাোৱা পাহাৰী ছাোৱালীজনীৰ নাম কি আছিল ?

**উত্তৰঃ** গদাপাণিয়ে পাহাৰত লগ পাোৱা পাহাৰী ছাোৱালীজনীৰ নাম ডালিমী আছিল ।

( চ ) ' কাহুদি খালি ' কি?

**উত্তৰঃ** ' কাহুদি খালি ' এবিধ চাটনি । কিন্তু ইয়াত ' বাহী ' আলোচনীত বেজবৰুৱাই লিখা । ' কাহুদি খালি ' শীৰ্ষক ৰচনাৰ কথা কোৱা হৈছে ।

( ছ ) গদাধৰ কোন আছিল?

**উত্তৰঃ** গদাপাণি । গদাপাণিয়ে গদাধৰ সিংহ নাম লৈ আহােমৰ ৰাজপাটত উঠিছিল ।

( জ ) অসমৰ জাতীয় সংগীতটোৰ ৰচক কোন ?

**উত্তৰঃ** অসমৰ জাতীয় সংগীতটোৰ ৰচক হ'ল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ।

( ঝ ) ' ডেকাধনি ' অৰ্থ কি ?

**উত্তৰঃ** ' ডেকাধনি ' অৰ্থ হ'ল যৌৱনপ্ৰাপ্ত হাােৱা ।

**প্ৰশ্ন ২: আমাৰ দেশৰ ভাষা সাহিত্যৰ ভঁৰাল কোনে কিদৰে ভৰালে বুলি কৈছে ?**

**উত্তৰঃ** কবিয়ে লক্ষ্মীনাথ বেজবৰুৱাই ভাষা – সাহিত্যৰ ভঁৰাল ভৰালে বুলি কৈছে । বেজবৰুৱা অসমীয়া চুটিগল্পৰ জনক । চুটিগল্পৰ উপৰিও তেওঁ সাধুকথা , নাটক , কবিতা , উপন্যাস , প্ৰহসন , তত্ত্বমূলক কথা , হাস্য – ব্যঙ্গাত্মক ৰচনা আদিৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যলৈ অবিস্মৰণীয় অৱদান আগবঢ়াই থৈ গৈছে । কবিতাটোত বুঢ়ী আই ,

ককাদেউতা , জুনুকা , মহাপুৰুষ , কৃপাবৰ বৰুৱা , ডালিমী , কাহুদি – খালি , বীৰ গদাধৰ , চক্ৰধ্বজ , গজপুৰীয়া আদি শব্দৰ উল্লেখেৰে

বেজবৰুৱাৰ বিভিন্ন বিষয়ৰ ৰচনা সামৰি লাােৱা হৈছে । এই ৰচনাবাােৰৰ জৰিয়তে বেজবৰুৱাই আমাৰ দেশৰ ভাষা – সাহিত্যৰ ভঁৰাল ভৰালে বুলি কবিয়ে কৈছে ।

**প্ৰশ্ন ৩: চমুটোকা লিখাঃ**

**( ক ) লক্ষ্মীনাথ বেজবৰুৱা ।**

**উত্তৰঃ** লক্ষ্মীনাথ বেজবৰুৱা শিৱসাগৰৰ প্ৰসিদ্ধ পুৰুষ দীননাথ বেজবৰুৱাৰ পুত্ৰ । ১৮৬৪ চনৰ কাতি মাহত লক্ষ্মী পূৰ্ণিমাৰ দিনাখন লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হয় । তেওঁ তেজপুৰ , লক্ষীমপুৰ , গুৱাহাটী, শিৱসাগৰ আদি ঠাইত শিক্ষা লাভ কৰি কলিকতাত অধ্যয়ন সমাপ্ত কৰে। কলিকতাত থাকোতেই তেওঁ কলিকতাৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ জীয়াৰী প্ৰজ্ঞাসুন্দৰী দেৱীক বিয়া কৰায় । ইয়াৰ পিছত তেওঁ অসমৰ বিখ্যাত সদাগৰ ভাােলানাথ বৰুৱাৰ লগত ব্যৱসায়ত নামে। পিছত উৰিষ্যাৰ সম্বলপুৰত তেওঁ নিজাকৈ কাঠৰ কাৰবাৰ কৰে ।

লক্ষ্মীনাথ বেজবৰুৱা ' অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা ' ( অঃ আঃ উঃ সাঃ মঃ ) ৰ অন্যতম প্ৰতিষ্ঠাতা । অঃ আঃ উঃ সাঃ মঃ ৰ মুখপত্ৰ ' জোনাকী ' ৰ যােগেদি অসমীয়া সাহিত্যত যুগান্তৰ অনাসকলৰ ভিতৰত তেওঁৰ স্থান সকলােতকৈ আগত । ' জোনাকী ' ত প্ৰকাশ হােৱা ' লিতিকাই ' নামৰ নাটকৰ যােগেদিয়েই বেজবৰুৱাৰ সাহিত্যিক জীৱন আৰম্ভ হয় । তেওঁ সাধুকথা , চুটিগল্প , কবিতা , উপন্যাস , হাস্য – ব্যঙ্গ, তত্ত্বমুলক কথা , নাটক আদি বিভিন্ন বিষয়ৰ পুথি ৰচনা কৰি অসমীয়া সাহিত্যক সমৃদ্ধিশালী কৰি থৈ গৈছে ।

বেজবৰুৱাই ' কৃপাবৰ বৰুৱা ' ছদ্ম নামেৰে লিখা ৰচনাবােৰ অসমীয়া সাহিত্যত অবিস্মৰণীয় সৃষ্টি । সাহিত্যৰ প্ৰায় সকলােবােৰ দিশতে অতুলনীয় অৱদান আগবঢ়াই অসমীয়া ' সাহিত্যৰ ৰথ ' খন তেওঁ যেন অকলে চলাই নিছিল , যাৰ বাবে তেওঁক ' সাহিত্যৰথী ' উপাধি প্ৰদান কৰা হয় । সেইদৰে অনুপম হাস্য ব্যঙ্গাত্মক ৰচনাৰে অসমীয়া ভাষাটোক সমৃদ্ধিশালী কৰাৰ বাবে তেওঁক ' ৰসৰাজ ' উপাধিও প্ৰদান কৰা হয় । এইগৰাকী যুগনায়কে ১৯৩৮ চনত ডিব্ৰুগড়ত ইহলীলা সম্বৰণ কৰে ।

**( খ ) ডালিমী ।**

**উত্তৰঃ** ' ডালিমী ' সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা ' জয়মতী ' নাটকৰ এটি অবিস্মৰণীয় চৰিত্ৰৰ নাম । নৰঘাতী ল'ৰা ৰজাৰ অত্যাচাৰৰ পৰা হাত সাৰিবলৈ নগা পাহাৰলৈ পলাই গৈ গদাপাণিয়ে যিঘৰ নগাৰ ঘৰত আশ্ৰয় লৈছিল , সেই নগাৰে জীয়াৰী হৈছে ডালিমী , কৈশােৰ আৰু যৌৱনৰ সন্ধিস্থলত থিয় হােৱা এজনী নাগিনী ছােৱালী । ডালিমী নাট্যকাৰ বেজবৰুৱাৰ এটি আলফুলীয়া চৰিত্ৰ । তাই যেন চুলে জয় পৰি যােৱ আদৰ মালতী । সদায় ৰংমনেৰে থকা ছােৱালীজনীয়ে খােপাত বিজুলীৰ ফুল পিন্ধে , কাণত পদুমৰ কেৰু , ডিঙিত ফুলৰ সাতেসৰী আঁৰে আৰু হাতত মৃণালৰ খাৰু পিন্ধে ।

তাই তেনেই সহজ – সৰল । মুক্ত বিহঙ্গৰ দৰে তাইৰ জীৱন । অন্তৰত কেতিয়াও দুখ – বেজাৰ অনুভৱন ডালিমীয়ে পখিলাৰ দৰে উৰি ফুৰিব খােজে । মানুহ ডাঙৰ হ'লে মনলৈ দুখ – বেজাৰ আহে বুলি বাপেকৰ মুখে শুনি কোনাে দিনেই ডাঙৰ হ'ব নােখােজা ডালিমী প্ৰকৃতি কুমাৰী । তাই গদাপাণিক ভাল পায় । অন্তৰত অলপো ভেদ ভাব নথকা বহল মনৰ ডালিমীয়ে পৰ্বতৰ পৰা ওলাই নৈ হৈ বিশ্বজগতত কুলু কুলু ধ্বনিৰে লীলা কৰি অনন্ত সাগৰলৈ বৈ যাব খােজে ।

**( গ ) কৃপাবৰ বৰুৱা ।**

**উত্তৰঃ** ' কৃপাবৰ বৰুৱা ' সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ছদ্ম নাম । কৃপাবৰ বৰুৱাৰ নামেৰে বেজবৰুৱাই প্ৰধানকৈ ' জোনাকী ' ত আৰু পিছত ' উষা ' আৰু ' বাহী '

আলাোচনীত বহুতাে ৰচনা প্ৰকাশ কৰিছিল। এই ৰচনাবাোৰকে লগ কৰি ' কৃপাবৰ বৰুৱাৰ কাকতৰ টোপাোলা ( ১৯৩৬ ) , ' কৃপাবৰ বৰুৱাৰ ওভতনি ( ১৯০৯ ) , ' কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি ( ১৯৫১ ) আৰু কলাৰৰ বৰুৱাৰ বুলনি ' ( ১৯৬৪ ) নাম দি পুথি আকাৰে প্ৰকাশ কৰা হয় । কৃপাবৰ বৰুৱাৰ এই ৰচনাবাোৰত ৰাজনৈতিক , সামাজিক , বৈষয়িক আদি নানা বিষয়ে স্থান পাইছে । ৰচনাসমূহ ব্যঙ্গ আৰু বক্ৰোক্তি যুক্ত নিভাজ হাস্যৰসেৰে পূৰ্ণ ।

এইবাোৰে অসমীয়া সমাজৰ চুক – কোণ সকলাে দিশৰ ওপৰতে পাোহৰ পেলাইছে । এই ৰচনাবাোৰৰ মাজত কৃপাবৰ বৰুৱাৰূপী লক্ষ্মীনাথ বেজবৰুৱাক আমি অসমীয়া সমাজ আৰু জীৱনৰ এগৰাকী সৰ্বদ্ৰষ্টা লেখকৰূপে দেখিবলৈ পাওঁ । উল্লেখযাোগ্য যে লক্ষ্মীনাথ বেজবৰুৱাই কৃপাবৰ বৰুৱাৰ নামত কবিতাও ৰচনা কৰিছিল ।

**( ঘ ) গদাধৰ সিংহ ।**

**উত্তৰঃ** লাঙি গদাপাণিয়ে গদাধৰ সিংহ ( আহাোম মতে চুপাতা ) নাম লৈ ১৬৮১ খ্ৰীঃত আহাোমৰ সিংহাসনত বহে । তেওঁ আহাোমৰ তুংখুঙীয়া ফৈদৰ গোবৰ গোঁহাই বা গাোবৰ ৰজাৰ পুত্ৰ আছিল । গদাপাণিয়ে চুলিফা বা ল'ৰা ৰজা আৰু লালুক সাোলা ফুকনৰ অত্যাচাৰৰ হাত সাৰিবলৈ দুবছৰ ধৰি নগা পাহাৰত গৈ আত্মগাোপন কৰি আছিল । সেই সময়ৰ ভিতৰতে তেওঁৰ ঘৈণীয়েক জয়মতীক ল'ৰা ৰজাৰ মানুহে জেৰেঙা পথাৰত অত্যাচাৰ কৰি হত্যা কৰে । আত্মগাোপন কৰি থকা অৱস্থাতে গদাপাণিয়ে সৈন্য – সামন্ত গাোটাই নিজৰ শক্তি বৃদ্ধি কৰে আৰু ১৬৮১ খ্ৰীঃত আহাোম ৰাজ্যৰ শাসনৰ ক্ষমতা নিজৰ হাতলৈ নিয়ে । তেও ১৬৮১ খ্ৰীঃৰ পৰা ১৬৯৬ খ্ৰীঃলৈ চৈধ্য বছৰতকৈও অধিক কাল আহাোম ৰাজ্য শাসন কৰে ।

গধাধৰ সিংহই ৰাজপাটত বহা সময়ত আভ্যন্তৰিণ কন্দল , ক্ষমতালিপ্সা আদিয়ে ৰাজ্যখন জৰ্জৰিত কৰিছিল । পাহাৰীয়া জনজাতি বিলাকেও ভৈয়ামৰ মানুহৰ ওপৰত অত্যাচাৰ কৰিছিল । ইতিমধ্যে মাোগলেও গুৱাহাটীখন পুনৰ দখল কৰিছিল আৰু স্বদেশ প্ৰীতি নথকা আহাোম ৰাজ্যৰ বহুতাে মানুহ মাোগলৰ লগ লাগিছিল । গদাধৰ সিংহই মাোগলক মানাহলৈকে খেদি পঠাই আহাোম – মাোগলৰ আশী বছৰীয়া যুঁজখনৰ চিৰদিনৰ বাবে অন্ত পেলাোৱাৰ লগতে পৰ্বতীয়া জনজাতিবাোৰৰ অত্যাচাৰ বন্ধ কৰে । আৰু আভ্যন্তৰিণ কন্দলবাোৰৰ শাম কটাই ৰাজ্যখনক সুস্থিৰ অৱস্থালৈ আনে । গদাধৰ সিংহয়ে প্ৰথম অসমত মাটি

জৰীপ কাম আৰম্ভ কৰে । উমানন্দ দেৱালয় , ধাোদৰ আলি , অকা আলি আদি তেওঁৰ দিনতেই নিৰ্মাণ হৈছিল । গদাধৰ সিংহই প্ৰায় বিধ্বস্ত হৈ

পৰা আহােম ৰাজ্যখনক কঠোৰ শাসনেৰে আৰু প্ৰজাহিতকৰ কামেৰে এক নতুন ৰূপত সজাই থৈ ১৯৬৯ খ্ৰীঃত মৃত্যু বৰণ কৰে ।

**প্ৰশ্ন ৪: প্ৰসংগ সংগতি দৰ্শাই ব্যাখা কৰাঃ**

**( ক ) জুনুকা বজাই ৰুজুন বজাই**

**অকণিৰ আনিলে টোপনি**

**মহাপুৰুষৰ। ঘােষা-কীৰ্তনৰ তুলি**

**তুলি দিলে ললিত ৰাগিণী ।**

**উত্তৰঃ** জুনুকা বজাই ___ললিত ৰাগিণী ।

ওপৰোক্ত কবিতাফাঁকি অতুল চন্দ্ৰ হাজৰিকাদেৱে ৰচনা কৰা আৰু আমাৰ পাঠ্যপুথিত সন্নিৱিষ্ট ' লক্ষ্মীনাথ ' নামৰ কবিতাটিৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

শিশু সাহিত্য আৰু মহাপুৰুষ দুজনাৰ বিষয়ে পুথি ৰচনা কৰি লক্ষমানাথ বেজবৰুৱা দেৱে অসমীয়া ভাষা – সাহিত্যলৈ যি বৰঙণি আগবঢ়াই থৈ গৈছে , তাকে কবিয়ে উক্ত কবিতা ফাঁকিৰ জৰিয়তে শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে ।

পৃথিৱীৰ সকলাে শিশুৱে সাধু শুনি ভাল পায় । ককা – আইতাক , মাক – দেউতাক বা আন কোনাে জ্যেষ্ঠজনে শিশুক সাধুকথা ক'লে শিশুৱে অতি আগ্ৰহেৰে শুনে আৰু সাধু শুনি শুনিয়ে কেতিয়াবা টোপনি যায় । বেজবৰুৱাদেৱে ' জুনুকা', ' বুঢ়ী আইৰ সাধু ' , ' ককাদেউতা আৰু নাতিল'ৰাৰ দৰে সাধুৰ পুথি ৰচনা কৰি অসমীয়া শিশু – সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে । বেজবৰুৱাৰ এই কালজয়ী সাধুবাােৰ আজিও অসমত বহুলভাৱে প্ৰচলিত হৈ আছে ।

বেজবৰুৱা দেৱে অসমীৰ জাতীয় জীৱনত প্ৰভাৱ বিস্তাৰ কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ ওপৰতো পুথি ৰচনা কৰিছিল । এই

পুথিৰ জৰিয়তে বেজবৰুৱাদেৱে মহাপুৰুষ দুজনাৰ ' ঘােষা-কীৰ্তন ' , ' গীত – পদ ' আদি ৰচনা সমূহক অসমবাসীক নতুনকৈ চিনাকি কৰাই দিছে । মহাপুৰুষ দুজনাৰ বিষয়ে আগতে আন লেখকে বেজবৰুৱাৰ দৰে লেখাটো চকুত নপৰে । সেয়েহে , কবিয়ে

লক্ষ্মীনাথ বেজবৰুৱাই গােটেই অসমজুৰি ঘােষাকীৰ্তনৰ ললিত ৰাগিণী তােলা বুলি তেওঁৰ প্ৰশস্তি গাইছে।

**( খ ) ‘ জাতীয় গীত’ৰ সুৰীয়া মাতত**

**ধন্য হ’ল আপােনাৰ দেশ ’**

**বীণা ভাগি গ’ল অমিয় ঝংকাৰ**

**আজিও যে ৰ’ল অৱশেষ ।**

উত্তৰ ‘ জাতীয় গীত’ৰ ___ ৰ’ল অৱশেষ ।

ওপৰোক্ত কবিতাফাঁকি অতুল চন্দ্ৰ হাজৰিকাদেৱে ৰচনা কৰা আৰু আমাৰ পাঠ্যপুথিত সন্নিৱিষ্ট ‘ লক্ষ্মীনাথ ’ নামৰ কবিতাটিৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

অমূল্য ৰচনাৰাজিৰে অসমীয়া ভাষা – সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ যােৱা লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতিৰ ঝংকাৰ অসমীয়া মানুহৰ হৃদয়ত যে চিৰযুগমীয়া হৈ বাজি থাকিব তাকে কবিয়ে কবিতা ফাঁকিৰ জৰিয়তে প্ৰকাশ কৰিছে ।

অসমৰ জাতীয় সংগীত ‘ অ ’ মােৰ আপােনাৰ দেশ ’ বেজবৰুৱাৰ অনুপম সৃষ্টি আৰু অসমীয়া জাতিৰ যাউতীযুগীয়া মৌ কেহ । সুৰীয়া , শ্ৰুতিমধুৰ এই গীতটি অসমীয়াৰ বুকুৰ আপােন । গীতটি গালে বা শুনিলে প্ৰতিজন অসমীয়াৰ বুকু আবেগত উথলি উঠে , অসমী আইৰ প্ৰতি শ্ৰদ্ধা – ভক্তিত মূৰ দো খাই যায় । এইহেন গীতৰ স্ৰষ্টা—

বেজবৰুৱাদেৱ কায়িকভাবে আজি আমাৰ মাজত নাই । কিন্তু বীণ ভাগি গলেও তাৰ অমিয়া ঝংকাৰ ৰৈ যােৱাৰ দৰে বেজবৰুৱা নাথাকিলেও অসমীয়াৰ মন মন্দিৰৰ স্মৃতি ফলকত তেওঁৰ নাম স্বৰ্ণাক্ষৰেৰে অংকিত

হৈ ৰৈ গৈছে । অসমীয়া জাতি , অসমীয়া ভাষা – সাহিত্যৰ কথা ওলালেই অসমীয়াৰ বুকুৰ মাজত যেন গুণ গুণকৈ বাজি উঠে লক্ষ্মীনাথ বেজবৰুৱাৰ নাম ।

**প্ৰশ্ন ৫: ‘ লক্ষ্মীনাথ ’ কবিতাটিৰ মাজেৰে কবিৰ জাতীয়তাবাদ কিদৰে প্ৰকাশ পাইছে ?**

**উত্তৰঃ** কবি অতুল চন্দ্ৰ হাজৰিকাৰ ' লক্ষ্মীনাথ 'এটি প্ৰশস্তিমূলক কবিতা।কবিতাটিৰ মাজেৰে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সৃষ্টি ৰাজিৰ গুণানুকীৰ্তন কৰা হৈছে । যদিও ইয়াৰ মাজেৰে কবি গৰাকীৰৰ জাতীয়তাবাদ প্ৰকাশ পাইছে। প্ৰথম কথা বেজবৰুৱা ডাঙৰীয়া আছিল হাড়ে – হিমজুৰে জাতীয়তাবাদী ভাবধাৰা সম্পন্ন ব্যক্তি । এনে এজন ব্যক্তিৰ প্ৰশস্তি গাোৱাটোৱেই কবি গৰাকীৰ জাতীয়তাবাদী মনাোভাৱৰ পৰিচয় দিছে ।

কবিতাটিত অসমীয়া জাতীয় জীৱনত প্ৰভাৱ বিস্তাৰ কৰা মহাপুৰুষ দুজনাৰ ঘাোষা কীৰ্তন , বীৰ গদাধৰ , চক্ৰধ্বজ , শৰাইঘাটৰ ৰণ আদিৰ উল্লেখ আছে । এইবাোৰৰ মাজেৰেও কবিৰ জাতীয়তাবাদ প্ৰকাশ পাইছে । বেজবৰুৱা দেৱে অসম , অসমীয়া জাতি আৰু অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ উন্নতি কল্পেই সাহিত্য সৃষ্টি কৰিছিল । কবিতাটিত কবিয়ে বেজবৰুৱাৰ সৃষ্টিৰাজিক লৈ গৌৰৱবাোধ কৰা দেখা গৈছে । সদৌ শেষত কবিতাটিত কবিয়ে বেজবৰুৱাদেৱক পূৰ্ণিমাৰ জোনৰ সৈতে ৰিজাই অকণিহঁতক তেওঁৰ দৰে হ'বলৈ আহ্বান জনাইছে। এইবাোৰ কথাৰ মাজেৰে কবিতাটিত কবিৰ জাতীয়তাবাদ প্ৰকাশ পাইছে ।

**প্ৰশ্ন ৬: অতুল চন্দ্ৰ হাজৰিকাদেৱৰ সাহিত্য কৃতিৰ বিষয়ে লিখা ।**

**উত্তৰঃ** অসমীয়া সাহিত্য জগতত অতুল চন্দ্ৰ হাজৰিকা কবি , নাট্যকাৰ, শিশু সাহিত্যিক , মঞ্চৰ ইতিহাস লেখক আৰু অনুবাদকৰূপে খ্যাত । তেওঁ প্ৰায় চাৰিকুৰিৰাো অধিক পুথি ৰচনা কৰিছে । হাজৰিকাদেৱৰ সাহিত্য কৃতিৰ বিষয়ে তলত চমুকৈ উল্লেখ কৰা হ'ল ।

**কবিতা :-** অতুল চন্দ্ৰ হাজৰিকাই প্ৰায় দহখন মান কবিতা পুথি ৰচনা কৰিছে । তাৰে কেইখনমান হ'ল – দিপালী , তপাোবন , মুকুতামালা , মণিমালা , পাঞ্চজন্য , মাণিকী মাধুৰী আদি ।

**নাটক :-** হাজৰিকাদেৱে নাট্যকাৰ হিচাপেহে বেছি খ্যাতি লাভ কৰিছিল।তেওঁ ৰচনা কৰা প্ৰায় কুৰিখন নাটকক চাৰিটা শ্ৰেণীত ভাগ কৰিব পাৰি—

( ১ ) পৌৰাণিক ।

( ২ ) বুৰঞ্জীমূলক ।

( ৩ ) বিবিধ বিষয়ক । আৰু

( ৪ ) অনুবাদ ।

' কুৰুক্ষেত্ৰ ', ' নৰকাসুৰ ', ' বেউলা ', ' সাৱিত্ৰী ' আদি পৌৰাণিক নাটক ; ' টিকেন্দ্ৰজিৎ ', ' পানীপথ , ' কনৌজ কুৱৰী ', ' ছত্ৰপতি শিৱাজী ' আদি বুৰঞ্জীমূলক নাটক ; ' মৰ্জিয়ানা ', ' মানস প্ৰতিমা , ' ৰংমন '– বিবিধ বিষয়ক নাটক আৰু ' বণিজ কোঁৱৰ ', ' অশ্ৰুতীৰ্থ আৰু শকুন্তলা — অনুবাদ নাটক ।

**শিশু সাহিত্য :-** ' কথা – দশম ', ' কথা কীৰ্তন ', ' ল'ৰাৰ জাতক ', ' ইছপৰ সাধু ', ' গ্ৰীমছৰ সাধু ', আদিকে ধৰি হাজৰিকাদেৱে প্ৰায় একুৰিৰা◌ে অধিক শিশু সাহিত্য ৰচনা কৰে । হাজৰিকাদেৱে মঞ্চৰ ইতিহাসৰ ওপৰত লিখা গ্ৰন্থখন হৈছে মঞ্চলেখা । অতুলচন্দ্ৰ হাজৰিকাৰ

সাহিত্যৰ প্ৰধান বৈশিষ্ট হ'ল স্বদেশ প্ৰেম , মাতৃভূমি আৰু মাতৃভাষাৰ প্ৰতি একনিষ্ঠ ভক্তি ।

## ভাষা-বিচাৰ

**প্ৰশ্ন ১: সন্ধি ভাঙা –**

আশীৰ্বাদ , তৃষ্ণাতুৰ , ক্ষুধাতুৰ , পৰিষ্কাৰ , সুৰীয়া , দীপ্তিমান

**উত্তৰঃ** আশীৰ্বাদ – আশীঃ + বাদ ।

তৃষ্ণাতুৰ – তৃষ্ণা + আতুৰ ।

ক্ষুধাতুৰ – ক্ষুধা + আতুৰ ।

পৰিষ্কাৰ – পৰি + কাৰ ।

সুৰীয়া – সুৰ + ঈয়া ।

দীপ্তিমান – দীপ্তি + মান ।

**প্ৰশ্ন ২: ব্যাসবাক্য লিখি সমাসৰ নাম লিখা –**

লক্ষ্মীনাথ , মহাপুৰুষ , কীৰ্তনঘা◌োষা , কাহুদি – খালি , চক্ৰধ্বজ , গদাধৰ ।

**উত্তৰঃ** লক্ষ্মীনাথ – লক্ষ্মীৰ নাথ ( ষষ্ঠী তৎপুৰুষ )

মহাপুৰুষ – মহান যি পুৰুষ ( কৰ্মধাৰয় )

কীৰ্তনঘোষা – কীৰ্তন আৰু ঘোষা ( ইতৰেতৰ দ্বন্দ্ব )

কাহুদি – খাৰলি – কাহুদি আৰু খাৰলি ( ইতৰেতৰ দ্বন্দ্ব )

চক্ৰধ্বজ – চক্ৰ আছে ধ্বজত যাৰ ( বহুব্ৰীহি )

গদাধৰ – গদাধৰে যি ( উপপদ তৎপুৰুষ )

**প্ৰশ্ন ৩: প্ৰত্যয় নিৰ্ণয় কৰা –**

ৰাগিণী , ৰূপহী , চেনেহী , ডাঙৰীয়া , জাতীয় , গজপুৰীয়া

**উত্তৰঃ** ৰাগিণী – ৰাগ + অনী ।

ৰূপহী – ৰূপহ + ঈ ।

চেনেহী – চেনেহ + ঈ ।

ডাঙৰীয়া – ডাঙৰ + অৰীয়া ।

জাতীয় – জাতি + ষ্ণীয় ।

গজপুৰীয়া – গজপুৰ + ঈয়া ।